।।চিৰ চেনেহী মোৰ ভাষা জননী।।

অসম সাহিত্য সভাৰ

# নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

কাৰ্যালয় :: সাৰ্বজনীন কেন্দ্ৰ, শোধনাগাৰ নগৰাঞ্চল, নগাঘাট - ৭৮৫ ৬৯৯; জিলা :: গোলাঘাট

পঞ্জীয়ন ক্ৰমাংক : ২/২০০১-২০০২, দিনাংক : ০৭-০৭-২০০১

---

(জাননী)

বিষয় : কাঁচিয়লি প্ৰকাশৰ প্ৰস্তুতি দিনাংক : ০৮-০২-২০১০ ইং

ইয়াৰ দ্বাৰা আমি নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সমূহ সদস্য/সদস্যাৰ জ্ঞাতাৰ্থে জনাবলৈ পাই সুখী হৈছো যে নুমলীগড় শোধনাগাৰৰ সমূহ কৰ্মচাৰী তথা পৰিয়ালবৰ্গ আৰু শোধনাগাৰ নগৰাঞ্চলৰ সমূহ আবাসীৰ পৰা কিছু সময়ছোৱাত লাভ কৰা অকুণ্ঠ সঁহাৰিৰ পৰিপ্ৰেক্ষিতত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ পৰৱৰ্তী অধিবেশন (তৃতীয় অন্তৰ্বৰ্তীকালীন)খনি অহাত এপ্ৰিল মাহৰ প্ৰথম পক্ষেকত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে॥ প্ৰস্তাবিত অধিবেশনৰ লগতে সংগতি ৰাখি শাখাৰ মুখপত্ৰ ""কাঁচিয়লি"ৰ অষ্টম সংকলনটি প্ৰকাশৰ যো-জা কৰা হৈছে॥ এই জাননীযোগে "কাঁচিয়লি"ত প্ৰকাশৰ বাবে ইচ্ছুক লেখক লেখিকাৰ পৰা সুখপাঠ্য গল্প, প্ৰবন্ধ, কবিতা, নাটক, অনুবাদ, মহৎলোকৰ বাণী আদিৰ লিখনি আহ্বান কৰা হ'ল। লিখনিসমূহ পঠোৱাৰ বাবে নিৰ্দিষ্ট নিয়মাৱলী তলত উল্লেখ কৰা হ'ল। পৰ্যাপ্ত সংখ্যক শিশু লিখনি সংগৃহীত হ'লে, শিশু শিতান খোলাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে

**"কাঁচিয়লি"লৈ লিখনি পঠোৱাৰ নিয়মাৱলী :**

১। লিখনিসমূহ ইতিপূৰ্বে প্ৰকাশ নোহোৱা আৰু অসমীয়া ভাষাত লিখা হ'ব লাগিব।

২। অনুবাদ লিখনিৰ ক্ষেত্ৰত মূল ৰচয়িতাৰ অনুমতি পত্ৰ সংলগ্ন কৰি দিব লাগিব।

৩। ব্যাকৰণ/বানান আৰু ভাষাৰ সুপ্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰা লিখনিক অগ্ৰাধিকাৰ দিয়া হ'ব।

৪। লিখনি সমূহ সুন্দৰ হাতৰ/ছপা আখৰ তথা পৰিস্কাৰ হ'ব লাগিব আৰু দুটা শাৰীৰ মাজত পৰ্যাপ্ত ব্যৱধান থাকিব লাগিব। লিখনি সমূহ ছপা / লিখাৰ ক্ষেত্ৰত এখিলা কাগজৰ এটি পৃষ্ঠাহে ব্যৱহাৰ কৰে যেন।

৫। কোনো লিখনিৰ ক্ষেত্ৰত শব্দ সংখ্যাৰ বাধ্যবাধকতা নাই।

৬। লিখনিৰ শেষত লেখকৰ নাম, বসবাস তথা কৰ্মস্থলীৰ ঠিকনা বিতংকৈ লিখা থাকিব লাগিব। শিশু লেখক/লেখিকাৰ ক্ষেত্ৰত শিশুৰ নাম, পিতৃ/মাতৃৰ নাম, শ্ৰেণী তথা বিদ্যালয়ৰ ঠিকনা বিতংকৈ লিখা থাকিব লাগিব।

৭। লিখনি জমা দিয়াৰ ঠিকনা - চিৰাজুল মান্নান ৰাজবী, পত্ৰিকা সম্পাদক (৫২০৭/৩৩১৯), অৰূপ গগৈ, সহঃ পত্ৰিকা সম্পাদক (২২২৮), অজিত কুমাৰ দাস, (৩১৭৭/৩৫২৬), পংকজ কুমাৰ বৰুৱা, সভাপতি (৪৪০৯/৩৫১৫), গজেন্দ্ৰ নাথ দাস, উপ-সভাপতি (৪১৪৮/৩৩৭৪)।

৮। <u>লিখনি জমা দিয়াৰ শেষ সময় (অপৰিবৰ্তিত) : ১০ মাৰ্চ, ২০১০ ইং, বুধবাৰ</u>। অপ্ৰকাশিত লিখনি ঘূৰাই দিয়া নহ'ব।

নুমলীগড় শোধনাগাৰ সাহিত্য সভাৰ হৈ -

( চিৰাজুল মান্নান ৰাজবী )

পত্ৰিকা সম্পাদক